**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 08-03-2026
**Time :** 1910 HRS.

ASSAMESE EVENING BULLETIN

**HEADLINES**

**::::::::::::::::::::::::::::::::::::::::::::**

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৈছে যে আমাৰ দেশ বৰ্তমান মহিলা নেতৃত্বৰ দ্বাৰা বিকাশৰ আদৰ্শৰে পৰিচালিত হৈ আগবাঢ়িছে।

২। নাৰী সবলীকৰণ আৰু আত্মনিৰ্ভৰশীলতাৰ জৰিয়তে আমাৰ দেশ ক্ৰমান্বয়ে প্ৰগতিৰ দিশে আগবাঢ়িছে বুলি উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে মন্তব্য কৰিছে।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত প্ৰায় ৩৩ হাজাৰ ৫০০ কোটি টকা ব্যয়সাপেক্ষ বিভিন্ন উন্নয়ন প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

৪। যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে কাইলৈ নতুন দিল্লীত দ্বিতীয় পৰ্যায়ৰ বিকশিত ভাৰত যুৱ সংযোগ কাৰ্যসূচী মুকলি কৰিব।

আৰু

৫। আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত ভাৰত, নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৈছে যে আমাৰ দেশ বৰ্তমানে মহিলা নেতৃত্বৰ দ্বাৰা বিকাশৰ আদৰ্শৰে পৰিচালিত হৈ আগবাঢ়িছে। আজি নতুন দিল্লীত আয়োজিত ভাৰতী - নাৰীৰ পৰা নাৰায়ণীলৈ শীৰ্ষক মহিলা চিন্তাবিদৰ ৰাষ্ট্ৰীয় সন্মিলনৰ বিদায়ী সত্ৰক উদ্দেশ্যি দিয়া ভাষণত ৰাষ্ট্ৰপতিগৰাকীয়ে নাৰী শক্তিৰ প্ৰতিটো স্বৰূপকে বিকশাই তুলিবলৈ আহ্বান জনায়। তেওঁ কয় যে কৃষিৰ পৰা মহাকাশলৈ, স্বনিয়োজনৰ পৰা সামৰিক বাহিনীলৈ মহিলাসকলে দেশৰ উন্নয়নৰ সৈতে জড়িত প্ৰতিটো ক্ষেত্ৰতে প্ৰভূত বৰঙণি যোগাই আহিছে। কেন্দ্ৰীয় চৰকাৰে মহিলাসকলক শৈক্ষিক আৰু অৰ্থনৈতিক দিশত সবল কৰি তুলিবলৈ কেইবাটাও গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰা বুলিও শ্ৰীমতী মুৰ্মুৱে মন্তব্য কৰে।

০০০০

বিশ্বৰ আন বিভিন্ন দেশৰ লগতে ভাৰততো আজি বিভিন্ন কাৰ্যসূচীৰে আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস উদযাপন কৰা হৈছে। এইবেলি এই দিৱসৰ মূল মন্ত্ৰ হ'ল অধিকাৰ, ন্যায় কাৰ্য্যব্যৱস্থা। সকলো মহিলা আৰু কন্যাৰ বাবে ইয়াৰ জৰিয়তে সমগ্ৰ বিশ্বতে ন্যায় সুবিধা প্ৰদান কৰি আৰু লিংগ সমতাৰ হকে প্ৰয়োজনীয় কাৰ্য্যব্যৱস্থা ত্বৰান্বিত কৰি মহিলাসকলৰ অধিকাৰক শক্তিশালী কৰি তোলাৰ প্ৰয়োজনীয়তাত গুৰুত্ব আৰোপ কৰা হৈছে। নাৰী দিৱস উপলক্ষে ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীকে ধৰি বিশিষ্ট ব্যক্তিসকলে দেশৰ নাৰী শক্তিলৈ শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত দেশৰ সকলো নাগৰিকক বিশেষকৈ মহিলাসকলক শুভেচ্ছা জনাই শিক্ষিত আৰু সবল নাৰীসকলক সমাজ আৰু জাতিৰ ভেটি বুলি অভিহিত কৰে।

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই নাৰী দিৱস উপলক্ষে  দেশৰ প্ৰতিজন নাগৰিকক শুভেচ্ছা জ্ঞাপন কৰি কয় যে, স্বাধীনতা আন্দোলনৰ সময়ৰ পৰা আৰম্ভ কৰি বৰ্তমানৰ আধুনিক ভাৰত নিৰ্মাণৰ সময়লৈকে সমাজৰ প্ৰতিটো ক্ষেত্ৰতে মহিলাসকলে শক্তিশালী ভাৱে নেতৃত্ব গ্ৰহণ কৰি আহিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে দেশৰ শক্তিৰ সাফল্যক গৌৰৱৰ উৎস বুলি অভিহিত কৰি এই শক্তিক ৰাষ্ট্ৰ গঠনৰ ক্ষেত্ৰত অতিশয় গুৰুত্বপূৰ্ণ কাৰক হিচাপে আখ্যা দিয়ে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে দেশৰ সমস্ত নাৰী শক্তিক শুভেচ্ছা জ্ঞাপন কৰি কয় যে উন্নতিৰ পথত আগবাঢ়ি যোৱা সময়ত এখন শক্তিশালী তথা সমৃদ্ধিশালী ৰাষ্ট্ৰ গঠনৰ সামগ্ৰিক যাত্ৰাক মহিলাসকলৰ আশা আকাংক্ষা আৰু অৱদানে পথপ্ৰদৰ্শন কৰি যাব।

০০০০

নাৰী সবলীকৰণ আৰু আত্মনিৰ্ভৰশীলতাৰ জৰিয়তে আমাৰ দেশ ক্ৰমান্বয়ে প্ৰগতিৰ দিশে আগবাঢ়িছে বুলি উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে মন্তব্য কৰিছে। আজি ত্ৰিপুৰাৰ হাপানিয়াৰ আন্তঃৰাষ্ট্ৰীয় মেলা প্ৰাঙ্গনত লাখপতি দিদি আৰু আত্মসহায়ক গোটৰ সদস্যসকলৰ সৈতে আয়োজিত এটা মত-বিনিময় অনুষ্ঠানত অংশ লৈ শ্ৰীৰাধাকৃষ্ণণে এইদৰে প্ৰকাশ কৰে। আন্তঃৰাষ্ট্ৰীয় নাৰী দিৱস উপলক্ষে উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে লাখপতি দিদিসকলৰ প্ৰতি শুভেচ্ছা তথা কৃতজ্ঞতা জ্ঞাপন কৰি তেওঁলোক যাতে সোনকালেই কোটিপতি দিদিলৈ ৰূপান্তৰিত হয় তাৰ বাবেও আশা প্ৰকাশ কৰে।

শ্ৰীৰাধাকৃষ্ণণে আজি ত্ৰিপুৰা বিশ্ববিদ্যালয়ৰ চতুৰ্দশ সমাৱৰ্তন সমাৰোহতো অংশগ্ৰহণ কৰে। সমাৰোহত ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি দিয়া ভাষণত তেওঁ শিক্ষাৰ্থীসকলক কঠোৰ পৰিশ্ৰম, নিয়মানুৱৰ্তিতা আৰু নিষ্ঠা - সফলতাৰ এই তিনিটা মূল মন্ত্ৰকে সাৰোগত কৰি ভৱিষ্যতৰ বাট কাটিবলৈ আহ্বান জনায়। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে যুৱ প্ৰজন্মক সকলো ধৰণৰ মাদক দ্ৰব্যৰ পৰা দূৰৈত থাকি প্ৰযুক্তিৰ সদ্ব্যৱহাৰেৰে বিকশিত ভাৰত নিৰ্মাণৰ দিশে যোগাত্মক অৱদান আগবঢ়াবলৈও পৰামৰ্শ দিয়ে।

শ্ৰীৰাধাকৃষ্ণণে আজি বিয়লি আগৰতলাস্থিত এলবাৰ্ট এক্কা যুদ্ধ স্মাৰকলৈ গৈ শ্বহীদ সৈন্যসকললৈ পুষ্পমাল্য তৰ্পন কৰে। উপ-ৰাষ্ট্ৰপতিগৰাকীৰ লগত ত্ৰিপুৰাৰ ৰাজ্যপাল ইন্দ্ৰ সেনা ৰেড্ডী নাল্লুৰ লগতে কেইবাগৰাকীও মন্ত্ৰী আৰু বিশিষ্ট অতিথি উপস্থিত থাকে। ইয়াৰ পাছতে ত্ৰিপুৰাৰ দুদিনীয়া ভ্ৰমণসূচী সামৰি শ্ৰীৰাধাকৃষ্ণণ নতুন দিল্লীলৈ ৰাওনা হয়।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত প্ৰায় ৩৩ হাজাৰ ৫০০ কোটি টকা ব্যয়সাপেক্ষ বিভিন্ন উন্নয়ন প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। উদ্বোধনী অনুষ্ঠানত শ্ৰীমোদীয়ে কয় যে দেশৰ ৰাজধানী চহৰখনত জনসাধাৰণৰ হিতাৰ্থে প্ৰয়োজনীয় সকলো ধৰণৰ সুযোগ সুবিধা আৰু আন্তঃগাঁথনি সময়ে সময়ে অধিক শক্তিশালী কৰি তোলাৰ লগতে প্ৰসাৰ ঘটোৱা হৈছে। আজি উদ্বোধন কৰা আৰু আধাৰশিলা স্থাপন কৰা এই প্ৰকল্পসমূহে চহৰখনত বসবাস কৰা নাগৰিকৰ জীৱন নিৰ্বাহ অধিক সহজ কৰি তুলিব।

শ্ৰীমোদীয়ে প্ৰায় ১৮ হাজাৰ ৩০০ কোটি টকা ব্যয় সাপেক্ষ দিল্লী মেট্ৰ' প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। তেওঁ দিল্লী মেট্ৰ'ৰ ১২ দশমিক ৩ কিল'মিটাৰ দৈৰ্ঘ্যৰ মজলিছ পাৰ্ক-মৌজপুৰ বাবৰপুৰ কৰিড'ৰ আৰু ৯ দশমিক ৯ কিল'মিটাৰ দৈৰ্ঘ্যৰ দীপালী চ'ক-মজলিছ পাৰ্ক কৰিড'ৰ উদ্বোধন কৰে। দেশে বৰ্তমান নাৰী সবলীকৰণৰ ক্ষেত্ৰত এটা নতুন অধ্যায়ৰ সূচনা কৰিছে আৰু মহিলাসকলে দেশৰ বিকাশত অতিকৈ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি থকা বুলিও প্ৰধানমন্ত্ৰী গৰাকীয়ে মন্তব্য কৰে। শ্ৰীমোদীয়ে

কয় যে ভাৰতৰ নাৰী শক্তিয়ে প্ৰতিটো খণ্ডতে নতুন ধৰণৰ উৰ্জাৰে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি ৰাষ্ট্ৰ নিৰ্মাণৰ দিশত মহত্বপূৰ্ণ অৰিহনা আগবঢ়াইছে।

০০০০

দেশৰ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে কাইলৈ নতুন দিল্লীত দ্বিতীয় পৰ্যায়ৰ বিকশিত ভাৰত যুৱ সংযোগ কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব। বিকশিত ভাৰত ২০৪৭ ৰ দৃষ্টিভংগীৰে যুৱসকলৰ অংশগ্ৰহণ শক্তিশালী কৰাৰ বাবে মেৰা যুৱ ভাৰত আৰু মাই ভাৰতৰ জৰিয়তে এই পদক্ষেপৰ আয়োজন কৰিছে। মন্ত্ৰালয়ে অৱগত কৰে যে দেশৰ ৰাজধানীৰ ৩৫ খনৰো অধিক মহাবিদ্যালয়ৰ ১০ হাজাৰৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰিব বুলি আশা কৰা হৈছে। যুৱপ্ৰজন্মই ভাৰতৰ উন্নয়ন যাত্ৰাৰ সৈতে সংযোগ কৰিবলৈ আৰু ৰাষ্ট্ৰ নিৰ্মানত দায়িত্বশীল ভুমিকা পালন কৰিবলৈ তেওঁলোকক উৎসাহিত কৰাৰ লগতে মত বিনিময় কাৰ্যকলাপৰ আয়োজন কৰা হ'ব। মন্ত্ৰালয়ে লগতে কয়, দেশৰ যুব আইকনসকল বিশেষকৈ বিকশিত ভাৰত যুৱ নেতৃত্ব সন্মিলনৰ উপস্থাপক আৰু বিকশিত ভাৰত যুৱ সদনৰ বিজয়ীসকলে ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময় কৰিব আৰু ৰাষ্ট্ৰ নিৰ্মাণত আৰু অধিক যুৱ অংশগ্ৰহণক অনুপ্ৰাণিত কৰিবলৈ তেওঁলোকৰ অভিজ্ঞতা ব্যক্ত কৰিব। এই কাৰ্যসূচীৰ অধীনত ইতিমধ্যে ২২খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ২৭৪খন বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়লৈ গৈ এতিয়ালৈকে প্ৰায় ২০ হাজাৰ যুৱক-যুৱতীক একত্ৰিত কৰিছে। mybharat.gov.in ৱেবছাইটৰ জড়িয়তে যুৱক যুৱতী সকলে এই কাৰ্যসূচীত পঞ্জীয়ন আৰু অংশগ্ৰহণ কৰিব পাৰিব।

০০০০

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী মনসুখ মাণ্ডৱিয়াই দেশৰ যুৱপ্ৰজন্মক 'বিকশিত ভাৰত" গঢ়ি তোলাৰ অভিযানত নিৰ্ণায়ক ভূমিকা লবলৈ আহ্বান জনাইছে। মন্ত্ৰীগৰাকীয়ে আজি কলকাতাত অনুষ্ঠিত ৰাজ্যিক পৰ্যায়ৰ মাই ভাৰত যুৱ স্বেচ্ছাসেৱক সন্মিলনত অংশগ্ৰহণ কৰি কয় যে আজিৰ যুৱক-যুৱতীসকল যি উন্নত ভাৰতৰ প্ৰাথমিক বাসিন্দা হ'ব তেওঁলোকে সেই ভৱিষ্যতৰ নিৰ্মাণত নেতৃত্ব দিব লাগিব দেশৰ ১৪০ কোটি নাগৰিকে সামূহিকভাৱে এই প্ৰগতিৰ পথ প্ৰদৰ্শন কৰিব। এই দৃষ্টিভংগীক ফলপ্ৰসু কৰি তুলিবলৈ মন্ত্ৰী মাণ্ডাৱিয়াই সমগ্ৰ দেশতে এক লাখ যুৱ নেতাক চিনাক্ত কৰাৰ বাবে মন্ত্ৰালয়ে লোৱা পদক্ষেপৰ কথা ঘোষণা কৰে। তেওঁ কয় যে এই যুৱনেতাসকল ৰাজনৈতিক পৰিয়ালৰ পৰা লোৱা নহ'ব, বৰঞ্চ দেশৰ আটাইতকৈ দূৰৱৰ্তী অঞ্চলৰ সাধাৰণ পৰিয়ালৰ পৰা বিচাৰি উলিওৱা হ'ব। মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মুকলি কৰা মাই ভাৰত প্লেটফৰ্মে ইতিমধ্যে উন্নয়নৰ ভেটি হিচাপে

কাম কৰিছে, য'ত দুই কোটিৰো অধিক যুৱক-যুৱতীয়ে পঞ্জীয়ন কৰিছে আৰু ৰাষ্ট্ৰ-নিৰ্মাণৰ বিভিন্ন কাৰ্যকলাপত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছে।

০০০০

আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত ভাৰত নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। ফাইনেল খেলখনৰ টছত জিকি নিউজিলেণ্ডে প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লয়। বাতৰি যুগুতোৱাৰ পৰলৈকে ভাৰতে ৩ অভাৰত এটাও উইকেট নেহেৰুৱাকৈ ২৭ ৰাণ সংগ্ৰহ কৰিছে।

০০০০

অল ইংলেণ্ড অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ ফাইনেলত ভাৰতৰ লক্ষ্য সেন আজি চীনা টাইপেইৰ শ্বাটলাৰ লীন চান য়িৰ বিৰুদ্ধে ১৫-২১, ২০-২২ৰ ব্যৱধানত পৰাজিত হয়।

০০০০

শোণিতপুৰ জিলাৰ ঘোঁৰামাৰীত সেনাবাহিনীৰ গজৰাজ ক'ৰৰ উদ্যোগত আজি প্ৰাক্তন সেনাৰ এটা বৃহৎ সমাৱেশৰ আয়োজন কৰা হয়। দেশৰ সীমান্তক সুৰক্ষিত কৰি ৰখাৰ স্বাৰ্থত উল্লেখনীয় অৱদান আগবঢ়াই যোৱা বাহিনীটোৰ পুৰুষ আৰু মহিলা বিষয়া-জোৱানসকললৈ শ্ৰদ্ধা নিবেদন কৰাৰ উদ্দেশ্যে ঘোঁৰামাৰীৰ হেম বৰুৱা উচ্চতম মাধ্যমিক বিদ্যালয়ত আয়োজিত এই অনুষ্ঠানত বিশ্বনাথ আৰু শোণিতপুৰ জিলাৰ প্ৰায় ৪ হাজাৰ গৰাকী প্ৰাক্তন সেনা, বীৰ নাৰী আৰু তেওঁলোকৰ পৰিয়ালৰ সদস্যসকলে অংশগ্ৰহণ কৰে।

০০০০

ঃঃ সমাপ্ত ঃঃ